# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 23-04-2026 **Time :** 1100 Hrs.

জ্যেষ্ঠ কংগ্ৰেছ নেতা পৱন খেড়াই গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা অগ্ৰিম জামিন আবেদন আজি আদালতে নাকচ কৰিছে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে কংগ্ৰেছ নেতাগৰাকীক অগ্ৰিম জামিন প্ৰদান কৰিবলৈ অস্বীকাৰ কৰে। উল্লেখযোগ্য যে যোৱা ২১ এপ্ৰিলত অনুষ্ঠিত শুনানিত পৱন খেড়াৰ হৈ জ্যেষ্ঠ অধিবক্তা অভিষেক মনু সিংভি আৰু কমলনয়ন চৌধুৰীয়ে যুক্তি প্ৰদৰ্শন কৰিছিল। ইয়াৰ বিপৰীতে অসম চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়াই পৱন খেড়াৰ অগ্ৰিম জামিনৰ বিৰোধিতা কৰি যুক্তি দৰ্শাইছিল। আদালতে সকলো যুক্তি শুনাৰ পাছত পৱন খেৰাৰ অগ্ৰিম জামিনৰ ৰায় সংৰক্ষিত ৰাখিছিল।

০০০০০০০০

নগাঁও জিলা ছেচন ন্যায়াধীশৰ আদালতে আজি অভি-নীল হত্যাকাণ্ডত দোষী সাব্যস্ত ২০ জন অভিযুক্তৰ শাস্তি ঘোষণা কৰিব। ২০১৮ চনৰ ৮ জুনত কাৰ্বি আংলঙৰ ডকমকাত শিশু অপহৰণকাৰীৰ সন্দেহত নীলোৎপল দাস আৰু অভিজিৎ নাথ নামৰ যুৱক দুজনক নৃশংসভাৱে হত্যা কৰাৰ পাছত ৭ বছৰৰো অধিক কাল চলা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত আদালতে যোৱা ২০ এপ্ৰিলত এই গোচৰৰ ৰায় দান কৰি ২০ জনক দোষী সাব্যস্ত কৰাৰ বিপৰীতে ২৫ জন অভিযুক্তক দোষমুক্ত ঘোষণা কৰে। এই হত্যাকাণ্ডৰ সৈতে মুঠ ৪৮ জন অভিযুক্তৰ নাম সাঙোৰ খাইছিল যদিও তিনিজনক আদালতে প্ৰাপ্তবয়স্ক নোহোৱা বুলি ঘোষণা কৰিছিল। ইয়াৰ পাছত ৪৫ জন অভিযুক্তৰ বিৰুদ্ধে নগাঁও জিলা ছেচন ন্যায়াধীশৰ আদালতত গোচৰ চলে। আদালতে এই গোচৰৰ শুনানি প্ৰক্ৰিয়াত ৭১ জন লোকৰ সাক্ষ্য গ্ৰহণ কৰে।

০০০০০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কালি অভিলেখ ভোটদান হয়। এই পৰ্যায়ত ৯২ দশমিক ৮-৮ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। ৰাজ্যখনৰ ইতিহাসত দেশে স্বাধীনতা লাভৰ পাছৰে পৰা বৰ্তমানলৈকে এয়া ভোটদানৰ সৰ্বাধিক হাৰ। পশ্চিমবংগত পুৰুষৰ ভোটদানৰ হাৰ ৯০ দশমিক ৯-২ শতাংশৰো অধিক হোৱাৰ বিপৰীতে মহিলাৰ হাৰ ৯২ দশমিক ৬-৯ শতাংশ হয়। তৃতীয় লিংগৰ ৫৬ দশমিক ৭-৯ শতাংশ ভোটদাতাই প্ৰথম পৰ্যায়ত ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে।

ইপিনে, তামিলনাডুত কালি এটা পৰ্যায়ত অনুষ্ঠিত বিধানসভা নিৰ্বাচনত ৮৫ পইণ্ট ১-৫ শতাংশ ভোটদান হয়। ৰাজ্যখনত পুৰুষৰ ভোটদানৰ হাৰ ৮৩ দশমিক ৪-৯ শতাংশ হোৱাৰ বিপৰীতে ৮৫ দশমিক ৭-৬ শতাংশ মহিলাই এইবেলি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্তদ্বয় ড° এছ্ এছ্ সান্ধু আৰু ড° বিবেক যোশীয়ে কালি ৱেবকাষ্টৰ জৰিয়তে দুয়োখন ৰাজ্যৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণ কৰে।

ইপিনে, পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অন্ত পৰাৰ লগে লগে দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাৰ মন

আকৰ্ষণৰ চেষ্টা চলাইছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৰা দমদমত এখন ৰাজহুৱা সভাত অংশ ল'ব। তেওঁ লগতে বাৰুইপুৰত এটা ৰেলীত ভাগ ল'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি বিয়লি হিংগলগঞ্জ আৰু ক'ননগৰত প্ৰচাৰ চলাব। তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ভৱানীপুৰত প্ৰচাৰ চলোৱাৰ লগতে দলৰ সাধাৰণ সচিব অভিষেক বেনাৰ্জীয়ে হাওৰা আৰু দক্ষিণ চৌবিবশ পৰগনাত কেইবাখনো নিৰ্বাচনী সভা তথা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। বিজেপিৰ তাৰকা প্ৰচাৰক তথা অসমৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি উলুবেৰীয়া দক্ষিণ, হৰিণঘাটা, বনগাঁ, আৰু কমাৰহাটীত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়।

0000000

সাংস্কৃতিক মহাসভা, অসমৰ ষষ্ঠ পূৰ্ণাংগ কেন্দ্ৰীয় কাৰ্য নিৰ্বাহক সভাখন কাইলৈ আৰু পৰহিলৈ দুদিনীয়া কাৰ্যসূচীৰে ডিব্ৰুগড়ত অনুষ্ঠিত হ'ব। ডিব্ৰুগড় চৰকাৰী পেঞ্চনাৰ ভৱন আৰু সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত হ'বলগীয়া এই সভাত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ শতাধিক বিষয়ববীয়া আৰু সদস্য উপস্থিত থাকিব। উল্লেখযোগ্য যে ৰাজ্যৰ থলুৱা কলা-সংস্কৃতিৰ সৰ্বাংগীন উন্নয়নৰ লগতে অসমৰ থলুৱা লোকসকলৰ মাজত সমন্বয়ৰ সেতু গঢ়িবলৈ এখন সমুহীয়া সাংস্কৃতিক মঞ্চ স্থাপনৰ বাবে গঢ় লৈ উঠা সাংস্কৃতিক মহাসভাৰ এই কাৰ্যনিৰ্বাহক সভাত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

0000000

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত **শিক্ষাৰ্থীৰ জীৱনত সহ-পাঠ্যক্ৰমৰ গুৰুত্ব** শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ভাগ ল'ব জ্যেষ্ঠ শিক্ষক, অভিনেতা, নাট্যকাৰ তথা পৰিচালক অসীম কৃষ্ণ বৰুৱাই। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকা আৰু পৰীস্মিতা দিহিঙ্গীয়াই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

00000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু, গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ১০৩ ৰানত পৰাস্ত কৰে।

00000000

**সমাপ্ত**